# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 06-12-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। ভাৰত আৰু ৰাছিয়াই প্ৰতিৰক্ষা, বাণিজ্য, অৰ্থনীতি, শিক্ষা, স্বাস্থ্যসেৱা, সংস্কৃতি আৰু সংবাদমাধ্যমৰ সৈতে জড়িত ১৬ খন চুক্তিত কালি স্বাক্ষৰ কৰে।

২। অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰামমোহন নাইডুৱে ইণ্ডিগ' এয়াৰলাইন্সৰ বিমান সেৱাৰ সামান্য উন্নত হৈছে আৰু আজি বিমানবন্দৰত যাত্ৰীসকলে অপেক্ষা কৰিবলগীয়া নহ'বও পাৰে বুলি আশা প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি গুজৰাটৰ বানাছ ডেইৰিত সমবায় মন্ত্ৰালয়ৰ সংসদীয় পৰামৰ্শদাতা সমিতিৰ তৃতীয় বৈঠকত সভাপতিত্ব কৰিব।

৪। ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কালি কোহিমাত ভাৰ্চুৱেল ব্যৱস্থাৰে বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। *আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি বিশাখাপট্টনমত অনুষ্ঠিত হ'ব।

ooooo

ভাৰত আৰু ৰাছিয়াই প্ৰতিৰক্ষা, বাণিজ্য, অৰ্থনীতি, শিক্ষা, স্বাস্থ্যসেৱা, সংস্কৃতি আৰু সংবাদমাধ্যমৰ সৈতে জড়িত ১৬ খন চুক্তিত কালি স্বাক্ষৰ কৰে। নতুন দিল্লীত ২৩ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক শীৰ্ষ সন্মিলনত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এখন যুটীয়া সংবাদমেলত কয় যে, ভাৰত-ৰাছিয়াৰ মিত্ৰতাই গোলকীয় প্ৰত্যাহ্বানসমূহৰ মুখামুখি হোৱাৰ অধিক শক্তি যোগাব আৰু এই আস্থাই দুয়োখন দেশৰ ভৱিষ্যত সম্পৰ্ক অধিক সুদৃঢ় কৰিব। ভাৰত আৰু ৰাছিয়াই সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজখনত একেলগে থিয় দিছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে মানৱতাৰ মূল্যবোধক সন্ত্ৰাসবাদে পোনপটীয়াকৈ নস্যাৎ কৰে বুলি ভাৰতে বিশ্বাস কৰে। তেওঁ লগতে গোলকীয় একতা সন্ত্ৰাসবাদৰ বিৰুদ্ধে বৃহৎ শক্তি বুলি উল্লেখ কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে দুয়োখন দেশে ইউৰেছিয়ান অৰ্থনৈতিক সংগঠনৰ সৈতে মুক্ত বাণিজ্য চুক্তি শীঘ্ৰেই সম্পন্ন কৰাৰ দিশত কাম কৰি আছে। ভাৰতে অতি সোনকালে ৰাছিয়াৰ নাগৰিকৰ বাবে ৩০ দিনীয়া বিনামূলীয়া ই-পৰ্যটক ভিছা আৰু ৩০ দিনীয়া গ্ৰুপ পৰ্যটক ভিছা মুকলি কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰে। তেওঁ কয়, যে দুয়োখন দেশৰ দ্বিপাক্ষিক সম্পৰ্কই বহু ঐতিহাসিক মাইলৰ খুঁটি অতিক্ৰম কৰাৰ সময়ত ৰাষ্ট্ৰপতি পুটিনে ভাৰত ভ্ৰমণ কৰিছে। তেওঁ কয়, যে বিগত ১০ বছৰত বিশ্বই বহু উত্থান-পতন দেখিছে আৰু এই সকলোবোৰৰ মাজত ভাৰত-ৰাছিয়াৰ সম্পৰ্ক অধিক সফল হৈছে।

২৩ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক শীৰ্ষ সন্মিলনৰ পাছত এটা যুটীয়া বিবৃতিত দুয়োখন দেশে বিভিন্ন ক্ষেত্ৰত দ্বিপাক্ষিক আৰু বহুপাক্ষিক সহযোগিতা শক্তিশালী কৰাৰ দিশত নিজৰ প্ৰতিশ্ৰুতিবদ্ধতাক দোহাৰে। ইয়াৰ ভিতৰত সন্ত্ৰাসবাদ, উগ্ৰবাদ, আন্তঃৰাষ্ট্ৰীয় সংগঠিত অপৰাধ, কলাধন বৈধকৰণ, সন্ত্ৰাসবাদীক পুঁজি

যোগান, অবৈধ মাদকদ্ৰব্য সৰবৰাহ আদিকে ধৰি বিভিন্ন ক্ষেত্ৰৰ প্ৰত্যাহ্বানসমূহৰ সৈতে একেলগে মোকাবিলা কৰাৰ বিষয়ত গুৰুত্ব আৰোপ কৰা হয়। দুয়োগৰাকী নেতাই সকলো প্ৰকাৰৰ সন্ত্ৰাসবাদ প্ৰতিহত কৰাৰ দিশত তেওঁলোকৰ প্ৰতিশ্ৰুতিবদ্ধতাক দোহাৰি পেহেলগাম, জম্মু-কাশ্মীৰ আৰু ৰাছিয়াৰ ক্ৰ'কাছ চিটী হলত হোৱা সন্ত্ৰাসবাদী আক্ৰমণক গৰিহনা দিয়ে। দুয়োখন দেশে লগতে অল কায়দা, আইছিছ-ডায়েছ আৰু তেওঁলোকৰ সহযোগী সংগঠনসমূহকে ধৰি ৰাষ্ট্ৰসংঘৰ তালিকাভুক্ত সকলোবোৰ সন্ত্ৰাসবাদী গোটৰ বিৰুদ্ধে কঠোৰতম ব্যৱস্থা গ্ৰহণৰ পোষকতা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে কালি ভাৰত-ৰাছিয়াৰ ব্যৱসায় মঞ্চৰ বৈঠকতো সহ অধ্যক্ষতা কৰে।

০০০০০

অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰামমোহন নাইডুৱে ইণ্ডিগ' এয়াৰ লাইন্সৰ বিমান সেৱা সামান্য উন্নত হৈছে আৰু আজি বিমানবন্দৰত যাত্ৰীসকলে অপেক্ষা কৰিবলগীয়া নহ'বও পাৰে বুলি আশা প্ৰকাশ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰৰ মূল উদ্দেশ্য হৈছে বিমানবন্দৰত সৃষ্টি হোৱা অসুবিধাজনক পৰিস্থিতি স্বাভাৱিক কৰা আৰু এই ক্ষেত্ৰত সকলো অংশীদাৰৰ সৈতে সক্ৰিয়ভাৱে যোগাযোগ ৰক্ষা কৰা হৈছে। নতুন দিল্লীত সাংবাদিকৰ আগত শ্ৰীনাইডুৱে কয়, যে অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে সকলো বিমানবন্দৰ আৰু বিমান পৰিবহণ সংস্থাৰ সৈতে যোগাযোগ ৰক্ষা কৰি শিশু, মাতৃ, জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগসকলক অগ্ৰাধিকাৰ দিবলৈ আহ্বান জনাইছে।

ইপিনে সমগ্ৰ দেশতে ইণ্ডিগ'ৰ বহুসংখ্যক বিমানৰ সেৱা বাতিল হোৱাৰ ফলত যাত্ৰীসকলে সন্মুখীন হোৱা অসুবিধাৰ পৰিপ্ৰেক্ষিতত ইণ্ডিগ'ৰ মুখ্য কাৰ্যবাহী বিষয়া পিটাৰ এলবাৰ্ছে ক্ষমা বিচাৰিছে। এটা ভিডিঅ' বাৰ্তাত শ্ৰীএলবাৰ্ছে কয়, যে বিগত কেইটামান দিনত বিমান পৰিবহণ সংস্থাটোৱে গুৰুতৰ পৰিচালন সমস্যাৰ সন্মুখীন হৈছে, যাৰ ফলত বিশেষকৈ কালিৰ দিনটোত এহেজাৰৰো অধিক বিমান বাতিল কৰিবলগীয়া হয়। অহা ১০ৰ পৰা ১৫ ডিচেম্বৰৰ ভিতৰত ইণ্ডিগ'ৰ বিমান সেৱা পুনৰ স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিব বুলি মুখ্যকাৰ্যবাহী বিষয়াগৰাকীয়ে আশ্বাস দিয়ে।

ইপিনে এয়াৰলাইন্সৰ পাইলটসকলৰ অসহযোগিতাকে ধৰি বিভিন্ন কাৰণত কালিও সমগ্ৰ দেশতে পৰিবহণ সংস্থাটোৰ বিমান সেৱা বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱাত যাত্ৰীসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। ইণ্ডিগ' কৰ্তৃপক্ষই তেওঁলোকৰ বিমানসমূহৰ যাত্ৰা বাতিল অথবা সময়সূচী সলনি সম্পৰ্কত কোনো আগতীয়া তথ্য প্ৰকাশ নকৰাৰ বাবে বিমানবন্দৰত বিশৃংখলতাৰ সৃষ্টি হয়।

ইণ্ডিগ'ৰ এই অব্যৱস্থাৰ প্ৰসংগটো কালিসংসদৰ মজিয়াতো উত্থাপিত হয়। ৰাজ্যসভাত শূন্যকালত কংগ্ৰেছৰ প্ৰমোদ তিৱাৰী আৰু শিৱসেনাৰ উদ্ধৱ থাকৰে গোটৰ প্ৰিয়ংকা চতুৰ্বেদীয়ে সমগ্ৰ বিষয়টো সন্দৰ্ভত অসামৰিক বিমান পৰিবহণ মন্ত্ৰীৰ পৰা এটা বিবৃতি দাবী কৰে। অসামৰিক বিমান পৰিবহণ মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে সদস্যসকলক এই বিষয়ত যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আশ্বাস দিয়ে।

০০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি গুজৰাটৰ বানাছ ডেইৰিত সমবায় মন্ত্ৰালয়ৰ সংসদীয় পৰামৰ্শদাতা সমিতিৰ তৃতীয় বৈঠকত সভাপতিত্ব কৰিব। তিনিদিনীয়া ভ্ৰমণসূচীৰে গুজৰাটত উপস্থিত হোৱা কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সানাদাৰত বানাছ দুগ্ধ উদ্যোগৰ জৈৱ চি এন জি আৰু সাৰ প্ৰকল্পৰ উদ্বোধন কৰাৰ লগতে সানাদাৰত অত্যাধুনিক ১৫০ টি পি ডি পাউদাৰ গাখীৰ আৰু শিশু খাদ্য প্ৰকল্পৰ আধাৰশিলা স্থাপনত অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীশ্বাহে এখন ৰাজহুৱা সভাতো ভাষণ দিব।

আকাশবাণীৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত সমবায় মন্ত্ৰ্যালয়ৰ সংসদীয় পৰামৰ্শদাতা সমিতিয়ে দুগ্ধ উন্নয়ন, গোলকীয় অৰ্থনীতি, কৃষি মূল্যৰ সংযোজন, পশুধনৰ উৎপাদনশীলতা, জল সংৰক্ষণ আৰু গ্ৰাম্য সমবায় শক্তিশালীকৰণৰ ক্ষেত্ৰত বানাছ দুগ্ধ প্ৰতিষ্ঠানে গ্ৰহণ কৰা বৃহৎ পদক্ষেপৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিব।

দিনৰ ভাগত শ্ৰীশ্বাহে আটথালত নতুনকৈ নিৰ্মিত জৈৱ চি এন জি আৰু সাৰ উদ্যোগত পৰিদৰ্শন কৰিব। এই উদ্যোগৰ জৰিয়তে কৃষকৰ আয় বৃদ্ধি আৰু স্বচ্ছ শক্তি উৎপাদনত গুৰুত্ব আৰোপ কৰা হ'ব। মন্ত্ৰীগৰাকীয়ে আটথালত গাখীৰ উৎপাদনৰ সৈতে জড়িত মহিলা উদ্যোগীসকলৰ সৈতে মত বিনিময় কৰিব।

০০০০০

ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কালি কোহিমাত ভাৰ্চুৱেল ব্যৱস্থাৰে বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ২০২ কোটি টকা ব্যয় সাপেক্ষ ৫টা প্ৰকল্পৰ উদ্বোধন আৰু ৪৪৩ কোটি টকা ব্যয় সাপেক্ষ ১১টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। তিনিদিনীয়া ভ্ৰমণসূচীৰে নাগালেণ্ডলৈ অহা মন্ত্ৰীগৰাকীয়ে কালি হৰ্নবিল মহোৎসৱৰ অংশ হিচাপে ৰাজ্যখনৰ টুঅ'ফেমা গাঁৱত আংগামী নগাসকলৰ পৰম্পৰাগত কাৰ্যসূচীত অংশ লয়। শ্ৰীসিন্ধিয়াই কালি উদ্বোধন কৰা প্ৰকল্পসমূহৰ ভিতৰত ডিমাপুৰৰ ১৩২ কিলোৱাট উপ-কেন্দ্ৰৰ উন্নীতকৰণ, শিক্ষকৰ প্ৰশিক্ষণ আৰু পৰীক্ষা কেন্দ্ৰকে ধৰি আৱাসিক সুবিধা, ১৯০ খন বিদ্যালয়ৰ তথ্য আৰু যোগাযোগ প্ৰযুক্তি আন্তঃগাঁথনি, ছেনদাং ছেডেল-কোহিমা সংযোগী পথৰ দ্বিতীয় পৰ্যায় আৰু চোৰাঙৰ পৰা ইমপুৰলৈ তিনিখন দলঙৰ সৈতে অসম ট্ৰাংকৰোডৰ উন্নীতকৰণ প্ৰকল্প অন্যতম।

শ্ৰীসিন্ধিয়াই কয়, যে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে কেন্দ্ৰীয় চৰকাৰে **অষ্টলক্ষ্মী** দৃষ্টিভংগীৰ প্ৰসাৰৰ বাবে অভিলাষী ব্যৱস্থা গ্ৰহণ কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ সামূহিক উন্নয়নৰ ৰূপৰেখা প্ৰস্তুতৰ বাবে মুখ্যমন্ত্ৰী সকলৰ অধ্যক্ষতাত ৮টা উচ্চ পৰ্যায়ৰ কাৰ্যবাহিনী গঠন কৰা হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

সংবিধান প্ৰণেতা তথা ভাৰতৰত্ন সন্মানেৰে বিভূষিত ড০ বি আৰ আম্বেদকাৰৰ আজি ৭০ সংখ্যক মৃত্যু বাৰ্ষিকীত সমগ্ৰ দেশে স্মৰণ কৰাৰ লগতে কেইবাটাও অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উদ্দেশ্যে আজি পুৱা নতুন দিল্লীৰ সংসদভৱন চৌহদৰ প্ৰেৰণা ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা আদিয়ে শ্ৰদ্ধাঞ্জলি জনাব। সংসদ ভৱন ল'নত ড০ আম্বেদকাৰৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জনাবলৈ এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি বিশাখাপট্টনমত অনুষ্ঠিত হ'ব। খেলখন দিনৰ এক বাজি ৩০ মিনিটত আৰম্ভ হ'ব। দুয়োটা দলে ইতিমধ্যে শৃংখলাটোত ১-১ৰ সমতা স্থাপন কৰিছে। দুয়োটা দলে আজি শৃংখলাটো দখলৰ বাবে আপ্ৰাণ চেষ্টা চলাব।

০০০০০

সমাপ্ত